# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

—————————————————

ৰাজ্যৰ যুৱক-যুৱতীসকলক বিদেশী ভাষাৰ দক্ষতাৰে পাৰ্গত কৰি তুলি বিশ্বজুৰি কৰ্মৰ সুযোগ মুকলি কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি **গোলকীয় প্ৰতিভাৰ বাবে মুখ্যমন্ত্ৰীৰ বিদেশী ভাষাৰ উদ্যোগ** শীৰ্ষক কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই উপলক্ষে গুৱাহাটীৰ উত্তৰ-পূব দক্ষতা কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে এই আঁচনিখনৰ প্ৰথম পৰ্যায়ত ১৮০ গৰাকী যুৱক-যুৱতীক জাপানী ভাষাত প্ৰশিক্ষণ, নিযুক্তি আৰু আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে বিভিন্ন খণ্ডত ভাৰত-জাপানৰ সহযোগিতা বৃদ্ধি হোৱাৰ উপৰি অসম আৰু জাপানৰ জনসাধাৰণৰ মাজত সম্পৰ্ক সুদৃঢ় হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই পদক্ষেপৰ জৰিয়তে যুৱ প্ৰজন্মই বিদেশত নিয়োগৰ সুযোগ পোৱাই নহয়, বৰং তেওঁলোক বিদেশত অধিক দক্ষতাসম্পন্ন হৈ অসমলৈ ঘূৰি আহি ৰাজ্যৰ বিকাশত অৰিহণা যোগাব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। জাপানী ভাষাৰ এই পাঠ্যক্ৰমৰ মুঠ ব্যয়ৰ এক লাখ টকা ৰাজ্য চৰকাৰে আৰু ৫০ হাজাৰ টকা জাপানে ব্যয় কৰিব বুলি ড০ শৰ্মাই উল্লেখ কৰে। মুঠ খৰচৰ মাত্ৰ ৩০ হাজাৰ টকাহে যুৱক-যুৱতীসকলে বহন কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে অৱগত কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

তেওঁ লগতে বছা বছা কেইগৰাকীমান অসম প্ৰশাসনিক সেৱাৰ বিষয়াইও এই পদক্ষেপ অংশ লৈ জাপানী ভাষা শিক্ষা লাভ কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত সাক্ষ্য প্ৰদান কৰিবলৈ আজি ছিংগাপুৰৰ চাৰিজন প্ৰবাসী অসমীয়া এছ আই টিৰ কাৰ্যালয়ত হাজিৰ হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নিশা ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি কয়, যে ভাষ্য প্ৰদান কৰিবলৈ নহাসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব। তেওঁ ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলক স্ব-ইচ্ছাৰে আহি ভাষ্য প্ৰদান কৰি আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাত সহযোগ আগবঢ়াবলৈ আহ্বান জনায়। ড° শৰ্মাই কেন্দ্ৰীয় ফৰেণচিক বিজ্ঞান গৱেষণাগাৰে জুবিন গাৰ্গৰ ভিছেৰা প্ৰতিবেদন দিয়াৰ পাছত এছ আই টিয়ে তদন্তৰ নিৰ্দিষ্ট গতি লাভ কৰিছে বুলি উল্লেখ কৰি কম দিনৰ ভিতৰতে আদালতত সকলো কথা প্ৰকাশ কৰা হ'ব বুলি উল্লেখ কৰে। এই ঘটনাৰ তদন্তক লৈ অসম চৰকাৰ, যিদৰে সক্ৰিয় হৈ আছে, সেইদৰে ছিংগাপুৰ আৰক্ষীয়েও সক্ৰিয়ভাৱে তদন্ত চলাই আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে, এছ আই টিয়ে জুবিন গাৰ্গৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত বিভিন্নজনক সোধাপোছা কৰি ভাষ্য গ্ৰহণ কৰিছে। বিশেষ তদন্তকাৰী গোটে কালি অৰুণ গাৰ্গৰ ভাষ্য গ্ৰহণ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি সাতোজনৰে আৰক্ষীৰ জিম্মাৰ ম্যাদ শীঘ্ৰে অন্ত পৰিব। আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ লগে লগে আটাইকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হ'ব।

০০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত ধেমাজী আৰু বৰদলনি উন্নয়ন খণ্ডৰ জীৱিকা সখী, সংযোগ সখী, বেংক সখী, বীমা সখী, কৃষি সখী আৰু পশু সখী কৰ্মীসকলৰ মাজত ৯৬ খন স্কুটি বিতৰণ কৰে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৰূপায়ণ কৰা এই আঁচনিৰ জৰিয়তে তৃণমূল পৰ্যায়ত কাম কৰা সখীসকলক আত্মসহায়ক গোটৰ কাম-কাজসমূহ সূচাৰুৰূপে ৰূপায়ণত সহায় কৰাৰ উপৰি আত্মনিৰ্ভৰ গাওঁ নিৰ্মাণৰ পথ প্ৰশস্ত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। ডাঃ পেগুৱে কালি বৰদলনি উন্নয়ন খণ্ডত অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত কৰ্মৰত কেইবাটাও গ্ৰাম্য সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে আত্মসহায়ক গোটসমূহৰ কাম-কাজৰো পৰ্যালোচনা কৰে।

০০০০০০

পথ সুৰক্ষা আৰু গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ ৰচনাৰ কামত নিয়োজিত স্বেচ্ছাসেৱী সংস্থা আনয়নঃ দি হেবিট আৰু ডিব্ৰুগড় লায়ন্স ক্লাবৰ যৌথ উদ্যোগত জামিৰাত কালি পথ সুৰক্ষা আৰু গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কীয় এখন সভা অনুষ্ঠিত হয়। জামিৰা অঞ্চলৰ ধমলগাঁও, টেপৰগাঁও, গজাই আৰু চুতীয়াকাৰী গাঁৱৰ পঞ্চমৰ পৰা দশম শ্ৰেণীত অধ্যয়নৰত শতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই সভাত শিক্ষাৰ্থীসকলক দুখনকৈ অসমীয়া ভাষাৰ গ্ৰন্থ প্ৰদান কৰা হয়। সভাত পথ সুৰক্ষা কৰ্মী ৰতন হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলে পথ সুৰক্ষাৰ নীতি-নিয়মসমূহ পালন কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোকপাত কৰে।

০০০০০০

শিশুৰ সম্পূৰ্ণ সুৰক্ষাৰ বাবে কালি ৰাজ্যৰ ২৬ খন জিলাত পলিঅ' দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান অভিযানৰ অধীনত ইতিপূৰ্বে পলিঅ' প্ৰতিষেধক গ্ৰহণৰ পৰা বাদ পৰি যোৱা সকলো শিশুক এই অভিযানৰ অধীনত সামৰি লোৱা হয়। আজিৰ পৰা স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ পলিঅ' প্ৰতিষেধক প্ৰদান কৰিব।

ডিব্ৰুগড় জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলাখনৰ সকলো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ অঞ্চল তথা নগৰ অঞ্চলৰ এক লাখ ৯২ হাজাৰ ৭১৬ গৰাকী শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। ইয়াৰ বাবে জিলাখনত মুঠ ৯৫৪ টা পলিঅ' বুথ স্থাপন কৰাৰ লগতে ৩ হাজাৰ ৭১০ গৰাকী স্বাস্থ্যকৰ্মীক নিয়োগ কৰা হৈছে। কালি পলিঅ' প্ৰতিষেধক গ্ৰহণ কৰিব নোৱাৰা শিশুসকলক আজি আৰু কাইলৈ স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ প্ৰতিষেধক প্ৰদান কৰিব।

০০০০০০

সমাপ্ত